অধ্যায়-২

# স্বাধীনতা
## (Freedom)



মানৱ সমাজৰ ইতিহাসত ক্ষমতাশালী শ্ৰেণীটোৱে মানুহক দমন, শোষণ আৰু দাসত্বৰ শিকলিৰে বন্ধাৰ বহুতো উদাহৰণ পোৱা যায়। কিন্তু, এনেধৰণৰ দমন আৰু শোষণৰ বিৰুদ্ধে বীৰত্বপূৰ্ণ সংগ্ৰামৰ প্ৰেৰণাদায়ক উদাহৰণো মানৱ ইতিহাসত আছে। স্বাধীনতা মানে কি? এই স্বাধীনতাৰ বাবে মানুহে নিজৰ জীৱনকো ত্যাগ কৰি মৃত্যুবৰণ কৰিবলৈও কুণ্ঠাবোধ নকৰে। প্ৰকৃত অৰ্থত মানুহৰ নিজৰ জীৱন আৰু ভাগ্যক নিয়ন্ত্ৰণ কৰাৰ আকাংক্ষাক স্বাধীনতাৰ সংগ্ৰামে প্ৰতিফলিত কৰে। নিজৰ পছন্দ অনুসৰি গ্ৰহণ কৰা সিদ্ধান্ত আৰু কাৰ্যৰ জৰিয়তে এজন মানুহে মুক্তভাৱে নিজৰ ব্যক্তিত্ব প্ৰকাশ কৰিব পৰা সুযোগ-সুবিধাকে স্বাধীনতা বুলি ক'ব পাৰি। কেৱল ব্যক্তিয়েই নহয়, সমাজেও স্বাধীনতাক গুৰুত্ব দি তেওঁলোকৰ সংস্কৃতি আৰু ভৱিষ্যৎ সুৰক্ষিত কৰাটো আশা কৰে।

মানুহৰ ভিন্ ভিন্ স্বাৰ্থ আৰু আশা-আকাংক্ষা পূৰণ কৰিবলৈ সামাজিক জীৱনত কিছুমান নীতি-নিয়ম আৰু আইনৰ প্ৰয়োজন হয়। অৱশ্যে এই নীতি-নিয়মবোৰে ব্যক্তিৰ স্বাধীনতা উপভোগ কাৰ্যত কিছু পৰিমাণে বাধা-নিষেধ আৰোপ কৰে। কিন্তু, এই কথা সৰ্বজনস্বীকৃত যে এনেধৰণৰ বাধা-নিষেধে মানুহক নিৰাপত্তাহীনতাৰ পৰা মুক্ত কৰি সমাজত এক অনুকূল পৰিৱেশ সৃষ্টি কৰে। ফলত মানুহে নিজৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰিবলৈ সক্ষম হয়। ৰাজনৈতিক তত্ত্বত স্বাধীনতাৰ বিষয়ে অধিক মনোনিৱেশ কৰা হৈছে। ইয়াৰ উদ্দেশ্য হ'ল কিছুমান নীতি উদ্ভাৱন

কৰা, যাতে সামাজিকভাৱে প্ৰয়োজনীয় বাধা-নিষেধ আৰু অন্যান্য বাধা-নিষেধৰ মাজত পাৰ্থক্য নিৰূপণ কৰিব পাৰি। সামাজিক আৰু অৰ্থনৈতিক গাঁথনিৰ পৰা সৃষ্টি হোৱা স্বাধীনতাৰ গ্ৰহণযোগ্য সীমাবদ্ধতাসমূহৰ বিষয়েও যথেষ্ট বিতৰ্ক হৈ আহিছে। এইটো অধ্যায়ত আমি এনেধৰণৰ বিতৰ্কৰ বিষয়ে আলোচনা কৰিম। এই অধ্যায়টো পঢ়ি তোমালোকে তলত উল্লেখ কৰা কথাবোৰ বুজিব পাৰিবা।


- ❒ ব্যক্তি আৰু সমাজৰ বাবে স্বাধীনতাৰ গুৰুত্ব।
- ❒ স্বাধীনতাৰ নকাৰাত্মক আৰু সকাৰাত্মক দিশৰ পাৰ্থক্য।
- ❒ স্বাধীনতাৰ ক্ষতিকাৰক নীতিৰ অৰ্থ।


## ২.১. স্বাধীনতাৰ আদৰ্শ (The Ideal of Freedom)

স্বাধীনতাৰ বিষয়ে বিভিন্ন প্ৰশ্নৰ সমিধান বিচৰাৰ পূৰ্বে আমি বিংশ শতিকাৰ এজন মহান আৰু সংগ্ৰামী ব্যক্তি নেলচন মেণ্ডেলাৰ আত্মজীৱনী ‘লং ৱাক টু ফ্ৰীডম’ৰ (Long Walk to Freedom) বিষয়ে চিন্তা কৰো আহা। এই গ্ৰন্থখনত দক্ষিণ আফ্ৰিকাৰ বৰ্ণবাদী আমোলৰ শাসন ব্যৱস্থাৰ বিৰুদ্ধে তেওঁৰ ব্যক্তিগত সংগ্ৰামৰ বিষয়ে উল্লেখ আছে। দক্ষিণ আফ্ৰিকাত শ্বেতাংগসকলৰ শাসনত প্ৰৱৰ্তিত বৰ্ণ বৈষম্যবাদী নীতিৰ বিৰুদ্ধে জনসাধাৰণৰ প্ৰতিৰোধ সংগ্ৰাম, কৃষ্ণাংগসকলে সন্মুখীন হোৱা লাঞ্চনা, দুৰ্যোগ আৰু পুলিচৰ নিষ্ঠুৰ অত্যাচাৰৰ বিষয়ে এই গ্ৰন্থখনত উল্লেখ আছে। এইবোৰৰ ভিতৰত কৃষ্ণাংগসকলক এখন নিৰ্দিষ্ট চহৰ বা ঠাইত আবদ্ধ কৰি ৰাখি মুক্ত বিচৰণত বাধা প্ৰদান কৰা আৰু ব্যক্তিগত পছন্দ অনুসৰি বিয়া কৰোৱাত বাধা আৰোপ কৰা ইত্যাদি অন্যতম। বৰ্ণবাদী আমোলৰ শাসকসকলে বৰ্ণ বৈষম্যমূলক নীতিৰ জৰিয়তে সামগ্ৰিকভাৱে কিছুমান বাধা-নিষেধ প্ৰৱৰ্তন কৰিছিল। এইদৰে বৰ্ণৰ ভিত্তিত নাগৰিকসকলক বিভাজিত কৰি বৈষম্যমূলক ব্যৱহাৰ কৰিছিল। নেলচন মেণ্ডেলা আৰু তেওঁৰ সতীৰ্থসকলে অনুচিত বাধা-নিষেধৰ বিৰুদ্ধে প্ৰতিবাদ কৰি আন্দোলন কৰিছিল। স্বাধীনতাৰ অযুক্তিকৰ বাধা-নিষেধসমূহ আঁতৰাই জাতি-বৰ্ণনিৰ্বিশেষে সকলোৱে যাতে মুক্ত আৰু স্বাধীন জীৱন উপভোগ কৰিব পাৰে, সেইটোৱে এই সংগ্ৰামৰ লক্ষ্য আছিল। মেণ্ডেলাৰ এই সংগ্ৰামেই হ’ল লং ৱাক টু ফ্ৰীডম (Long walk to Freedom)।

# স্বাধীনতা

দক্ষিণ আফ্ৰিকাৰ জনসাধাৰণৰ হকে কৰা স্বাধীনতাৰ সংগ্ৰামৰ বাবেই নেলচন মেণ্ডেলাই আঠাইশ বছৰ কাৰাবাস খাটিব লগা হৈছিল। তেওঁক প্ৰায়েই অকলশৰীয়াকৈ নিৰ্জন কোঠাত বন্দী কৰি ৰখা হৈছিল। কল্পনা কৰাচোন, এটা আদৰ্শৰ বাবে এজন ব্যক্তিয়ে নিজৰ জীৱন-যৌৱন ত্যাগ কৰাৰ অৰ্থ কি হ'ব পাৰে।



স্বাধীনতাৰ দৰে মহান আদৰ্শৰ বাবে কেৱল মহান পুৰুষ আৰু মহিলাসকলেহে সংগ্ৰাম কৰে নেকি? মোৰ বাবে এই আদৰ্শৰ অৰ্থ কি হ'ব পাৰে?

বন্ধুৰ সৈতে কথা কোৱাৰ আনন্দ, নিজৰ প্ৰিয় খেল খেলা (মেণ্ডেলাই বক্সিং খেলি ভাল পাইছিল), নিজৰ মন-পছন্দৰ সাজ-পোছাক পৰিধান কৰা, নিজৰ প্ৰিয় সংগীত শুনা, বহুতো উৎসৱ উপভোগ কৰা ইত্যাদি যিবোৰ মানৱ জীৱনৰ অংশ, সেইবোৰ তেওঁ স্বইচ্ছাই ত্যাগ কৰিছিল। নিজৰ মানুহৰ স্বাধীনতাৰ সমৰ্থনত সংগ্ৰাম কৰাৰ বাবেই তেওঁ জীৱনৰ সকলো ত্যাগ কৰি এটা নিৰ্জন কোঠাত বন্দী হৈ থাকিব লগা হৈছিল। এই স্বাধীনতাৰ আদৰ্শৰ বাবেই মেণ্ডেলাই যথেষ্ট ব্যক্তিগত মূল্য আদায় দিব লগা হৈছিল।




এতিয়া, আন এক ঘটনা মন কৰো আহা। মহাত্মা গান্ধীৰ অহিংসাৰ আদৰ্শই বহুতো ব্যক্তিক স্বাধীনতা ৰক্ষাৰ সংগ্ৰামত অৱতীৰ্ণ হ'বলৈ অনুপ্ৰাণিত কৰিছিল। তেওঁলোকৰ ভিতৰত আং চাং ছ্যু কী অন্যতম, যাক নেকি ম্যানমাৰত গৃহবন্দী কৰি ৰখা হৈছিল। ফলত তেওঁ তেওঁৰ সন্তানৰ পৰা নিলগত থাকিব লগা হৈছিল। কেন্সাৰ ৰোগত আক্ৰান্ত হৈ লণ্ডনত চিকিৎসাধীন হৈ থকা স্বামীক তেওঁ লগ ধৰিব পৰা নাছিল। নিজৰ দেশ ম্যানমাৰ এৰি লণ্ডনলৈ যোৱাৰ পিছত পুনৰ নিজৰ দেশলৈ উভতি আহিব নোৱাৰিব বুলি তেওঁৰ আশংকা হৈছিল। আং চাং ছ্যুউ কীয়ে নিজৰ স্বাধীনতাক দেশৰ জনসাধাৰণৰ স্বাধীনতাৰ সৈতে জড়িত কৰি অহিংস আন্দোলন কৰিছিল। 'ফ্ৰীডম ফ্ৰম ফিয়েৰ' (Freedom from Fear) তেওঁ ৰচনা কৰা এখন গ্ৰন্থ, য'ত স্বাধীনতা সম্পৰ্কে ব্যাখ্যা

আগবঢ়াইছে। তেওঁ কৈছে, 'মোৰ বাবে প্ৰকৃত স্বাধীনতা হ'ল ভয়ৰ পৰা মুক্তি আৰু যদি তুমি ভয়ৰ পৰা মুক্ত হ'ব নোৱাৰা তুমি এক মৰ্যাদাপূৰ্ণ মানৱ জীৱন যাপন কৰিব নোৱাৰা'। এনেধৰণৰ মন্তব্যই আমাক স্বাধীনতাৰ অৰ্থ সম্পৰ্কে গভীৰভাৱে চিন্তা কৰিবলৈ শিকায়। তেওঁৰ ব্যাখ্যা মতে, আমি আন মানুহৰ মতামতক ভয় কৰিব নালাগে। কৰ্তৃপক্ষৰ মনোভাব, অথবা আমি কৰিব বিচৰা কামৰ বিষয়ে সমাজৰ প্ৰতিক্ৰিয়াৰ প্ৰতি আমি ভয় কৰিব নালাগে। তথাপি আমি প্ৰায়ে এনেধৰণৰ ভয় প্ৰদৰ্শন কৰো। কিন্তু আং চাং ছু্য কীৰ মতে এক 'মৰ্যাদাপূৰ্ণ জীৱন' নিৰ্বাহৰ বাবে আমি ভয়ৰ পৰা মুক্ত হোৱাটো দৰকাৰ।

নেলচন মেণ্ডেলা আৰু আং চাং ছু্য কীৰ এই গ্ৰন্থ দুখনৰ বিষয়ে জানি আমি স্বাধীনতাৰ আদৰ্শৰ ক্ষমতাৰ বিষয়ে উপলব্ধি কৰিব পাৰিছো। আমাৰ দেশৰ স্বাধীনতা সংগ্ৰামৰ কেন্দ্ৰবিন্দু আছিল এই স্বাধীনতাৰ আদৰ্শ। ব্ৰিটিছ, ফ্ৰান্স আৰু পৰ্তুগীজ উপনিৱেশবাদৰ বিৰুদ্ধে এছিয়া আৰু আফ্ৰিকাৰ জনসাধাৰণৰ মুক্তি সংগ্ৰাম প্ৰধানকৈ স্বাধীনতাৰ আদৰ্শৰ দ্বাৰাই অনুপ্ৰাণিত হৈছিল।

**অভ্যাস কৰো আহা**

তোমাৰ গাঁও, চহৰ অথবা জিলাৰ কোনো ব্যক্তিয়ে তেওঁৰ নিজৰ অথবা আনৰ স্বাধীনতাৰ হকে কৰা সংগ্ৰামৰ বিষয়ে তোমাৰ মনত আছেনে? সেই ব্যক্তিজন আৰু স্বাধীনতাৰ যি বিশেষ দিশৰ বাবে তেওঁ সংগ্ৰাম কৰিছে তাৰ বিষয়ে এটি চমু টোকা লিখা।

## ২.২. স্বাধীনতা কি? (What is Freedom)

স্বাধীনতা কি— এই প্ৰশ্নৰ সহজ উত্তৰ হিচাপে ক'ব পাৰি যে ব্যক্তিৰ কাৰ্যত কোনোধৰণৰ বাধা বা নিয়ন্ত্ৰণ আৰোপ নকৰা। অৰ্থাৎ স্বাধীনতাই এক মুক্ত, বাধাহীন অথবা নিয়ন্ত্ৰণহীন অৱস্থাক বুজায়। ব্যক্তিৰ কাৰ্যত কোনো ধৰণৰ বাহ্যিক নিয়ন্ত্ৰণ বা বাধা নাথাকিলে স্বাধীনতা বৰ্তি থকা বুলি ক'ব পাৰি। এজন ব্যক্তিক স্বাধীন বুলি ক'ব পাৰি যদিহে তেওঁ কোনোধৰণৰ বাহ্যিক নিয়ন্ত্ৰণ বা বাধ্যবাধকতাৰ অধীন নহয়। তদুপৰি তেওঁ স্বতন্ত্ৰভাৱে কোনো সিদ্ধান্ত গ্ৰহণ আৰু কাৰ্য কৰিব পৰা হ'ব লাগিব। কিন্তু বাধা-নিষেধৰ অনুপস্থিতি বা নিয়ন্ত্ৰণহীনতা স্বাধীনতাৰ এটা মাত্ৰ দিশ। জনসাধাৰণে নিজৰ প্ৰতিভাৰ উৎকৰ্ষ সাধন কৰি নিজকে মুক্তভাৱে প্ৰকাশ কৰিব পৰা সামৰ্থ্য অৰ্জন কৰা অৱস্থাকো স্বাধীনতা বুলি অভিহিত কৰিব পাৰি। অৰ্থাৎ

# স্বাধীনতা

স্বাধীনতাই এনেকুৱা এটা পৰিৱেশ বা অৱস্থাক বুজায়, য'ত ব্যক্তিয়ে নিজৰ সামৰ্থ্য আৰু সৃষ্টিশীলতাৰ বিকাশ সাধন কৰিব পাৰে।

গতিকে দেখা যায় যে স্বাধীনতাৰ দুটা দিশ আছে। এটা হ'ল ব্যক্তিৰ কাৰ্যত কোনোধৰণৰ বাহ্যিক বাধা-নিষেধৰ অনুপস্থিতি আৰু আনটো হ'ল জনসাধাৰণে নিজৰ ব্যক্তিগত প্ৰতিভাৰ বিকাশ সাধন কৰিব পৰা এটা অনুকূল পৰিৱেশৰ উপস্থিতি।

সমাজত বাস কৰা কোনো ব্যক্তিয়ে সম্পূৰ্ণ বাধাহীন অথবা সীমাহীন এক পৰিৱেশ আশা কৰিব নোৱাৰে। সেইবাবেই কোনবিলাক সামাজিক বাধা-নিষেধ ন্যায়সংগত হয় বা নহয়, কোনবিলাক গ্ৰহণযোগ্য আৰু কোনবিলাক অপসাৰণ কৰিব লাগে তাক নিৰ্ধাৰণ কৰাটো দৰকাৰ। কোনবিলাক সামাজিক বাধা-নিষেধ সমাজৰ বাবে প্ৰয়োজনীয় তাক জানিবলৈ হ'লে, স্বাধীনতাৰ আলোচনাই ব্যক্তি আৰু সমাজৰ মূল সম্পৰ্ক চালি-জাৰি চাব লাগিব। অৰ্থাৎ আমি ব্যক্তি আৰু সমাজৰ সম্পৰ্ক পৰীক্ষা কৰিব লাগিব। সমাজত কোনবিলাক বৈশিষ্ট্যই ব্যক্তিক পছন্দ আৰু সিদ্ধান্ত গ্ৰহণ অথবা কাৰ্য কৰাৰ স্বাধীনতা প্ৰদান কৰে আৰু কোনবিলাক বৈশিষ্ট্যই ব্যক্তিৰ স্বাধীনতা উপভোগত বাধা আৰোপ কৰে,

**স্বৰাজ (Swaraj) ঃ**

স্বাধীনতাৰ ধাৰণাটোৰ সৈতে সাদৃশ্য থকা এটা অনুৰূপ ধাৰণা ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাত আছে। সেইটো হ'ল 'স্বৰাজ'। 'স্বৰাজ' এটা অতি গুৰুত্বপূৰ্ণ ধাৰণা। 'স্ব' আৰু 'ৰাজ' এই দুটা শব্দৰ সংযোগত সৃষ্টি হোৱা ধাৰণা হ'ল 'স্বৰাজ'। 'স্ব' মানে নিজা আৰু 'ৰাজ' মানে হ'ল শাসন। অৰ্থাৎ নিজে নিজক শাসন কৰা। 'স্বৰাজ'ৰ আদৰ্শই ভাৰতৰ স্বাধীনতা আন্দোলনত এটা গুৰুত্বপূৰ্ণ ভূমিকা লাভ কৰিছিল। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত 'স্বৰাজ' এটা সাংবিধানিক আৰু ৰাজনৈতিক দাবী আছিল। 'স্বৰাজ' এক সামাজিক আৰু ৰাজনৈতিক দাবী হিচাপে বিবেচিত হৈছিল। সামাজিক স্তৰত 'স্বৰাজ'ৰ লক্ষ্য আছিল স্ব-নিৰ্ভৰশীলতা প্ৰতিষ্ঠা কৰা। আনহাতে ৰাজনৈতিক স্তৰত 'স্বৰাজ'ৰ লক্ষ্য আছিল 'স্ব-শাসন' প্ৰতিষ্ঠা কৰা। 'স্বৰাজ'ৰ আদৰ্শই ভাৰতীয় জনসাধাৰণক একত্ৰিত হৈ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰাত অনুপ্ৰাণিত কৰিছিল। লোকমান্য বালগংগাধৰ তিলকে 'স্বৰাজ' সম্বন্ধে এক প্ৰাণপূৰ্ণ উক্তি আগবঢ়াইছিল। তেওঁ কৈছিল- 'স্বাধীনতা আমাৰ জন্মগত অধিকাৰ। আমি ইয়াক পাবই লাগিব।'

মহাত্মা গান্ধীৰ 'হিন্দ স্বৰাজ' নামৰ গ্ৰন্থত 'স্বৰাজ'ৰ বিষয়ে উল্লেখ আছে। গান্ধীৰ মতে, স্বৰাজ মানে নিজে নিজক শাসন কৰিবলৈ শিকা। স্বৰাজ মানে কেৱল স্বাধীনতা নহয়। ইয়াৰ প্ৰকৃত লক্ষ্য হ'ল ব্যক্তিক অমানৱীয় আৰু আত্মাহীন অনুষ্ঠানৰ পৰা মুক্ত কৰা। 'স্বৰাজ'ৰ অৰ্থ হ'ল ব্যক্তিৰ আত্মসন্মান, স্ব-দায়বদ্ধতা আৰু আত্ম-উপলব্ধি গঢ়ি তোলা। গান্ধীয়ে ব্যক্তি, সম্প্ৰদায় আৰু সমাজৰ মাজত সমন্বয় গঢ়ি তোলাত গুৰুত্ব দিছিল।

গান্ধীয়ে বিশ্বাস কৰিছিল যে স্বৰাজ গঠন কৰিব পাৰিলেহে ব্যক্তিগত আৰু সামূহিক প্ৰতিভাৰ উপযুক্ত বিকাশ সম্ভৱ হব। তেওঁৰ মতে ন্যায়ৰ নীতিৰ দ্বাৰা পৰিচালিত উন্নয়নেহে ব্যক্তিৰ প্ৰকৃত স্বাধীনতা নিশ্চিত কৰিব পাৰি। ১৯০৯ চনতে গান্ধীয়ে 'হিন্দ স্বৰাজ'ত উল্লেখ কৰা 'স্বৰাজ'ৰ ধাৰণা আজি একবিংশ শতিকাতো প্ৰাসংগিক হৈ আছে। এই দুয়োটা দিশেই গুৰুত্বপূৰ্ণ। এখন স্বতন্ত্ৰ সমাজতহে মানুহে নিজৰ প্ৰতিভাৰ পূৰ্ণ বিকাশ সাধন কৰিবলৈ সক্ষম হ'য়, য'ত ন্যূনতম সামাজিক বাধা-নিষেধ থাকে।

সেইবোৰ আমি নিৰীক্ষণ কৰিব লাগিব। সমাজৰ কোনবিলাক বৈশিষ্ট্য আকাংক্ষিত আৰু কোনবিলাক নহয়, কোনবিলাক অপসাৰণ কৰিব লাগে আৰু কোনবিলাক নালাগে তাক আমি নিৰ্ধাৰণ কৰিব লাগিব। তদুপৰি যিবোৰ নীতিৰ মাধ্যমত আমি প্ৰয়োজনীয় বাধা-নিষেধৰ মাজত পাৰ্থক্য নিৰূপণ কৰো, সেইবিলাক নীতি ব্যক্তি আৰু সমাজ আৰু ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্কতো প্ৰয়োগ হয় নেকি তাক আমি লক্ষ্য কৰা দৰকাৰ।

ইমানলৈ বাধা-নিষেধৰ অনুপস্থিতিকে আমি স্বাধীনতাৰ সংজ্ঞা হিচাপে বুজিলো। স্বাধীন মানে সামাজিক বাধা-নিষেধসমূহ হ্ৰাস কৰা, যিবোৰে মুক্তভাৱে সিদ্ধান্ত গ্ৰহণ অথবা কাৰ্য কৰাৰ সামৰ্থ্যক সীমিত কৰে। অৱশ্যে, এইটো স্বাধীনতাৰ এটা মাত্ৰ দিশহে। স্বাধীনতাৰ এক সকাৰাত্মক দিশো আছে। স্বাধীন হ'বলৈ হ'লে ব্যক্তি, সমাজ, সম্প্ৰদায় অথবা ৰাষ্ট্ৰই নিজৰ ভাগ্য নিৰ্ণয় কৰিব পৰাকৈ সমাজখন উদাৰ হ'ব লাগিব। অৰ্থাৎ এটা মুক্ত পৰিৱেশতহে ব্যক্তিয়ে সৃষ্টিশীলতা, সংবেদনশীলতা আৰু দক্ষতাৰ পূৰ্ণ বিকাশ সাধন কৰিব পাৰে। শিক্ষা-বিজ্ঞান, কলা, সংগীত, খেল-ধেমালি ইত্যাদি সকলো ক্ষেত্ৰতে ব্যক্তিয়ে নিজৰ ইচ্ছা অনুসৰি প্ৰতিভা বিকাশ কৰিব পৰা অৱস্থাকে স্বাধীনতা বুলি ক'ব পাৰি। এখন স্বাধীন সমাজত ব্যক্তিয়ে নিজৰ স্বাৰ্থ পূৰণ অথবা উদ্দেশ্যত উপনীত হ'বলৈ সক্ষম হয়। স্বাধীন সমাজ এখনত ন্যূনতম সামাজিক বাধা-নিষেধ থাকে। গতিকে স্বাধীনতাক মূল্যৱান আদৰ্শ হিচাপে বিবেচনা কৰা হৈছে। কাৰণ এই আদৰ্শই ব্যক্তিক উপযুক্ততা বিচাৰ কৰা আৰু সিদ্ধান্ত গ্ৰহণ কৰাৰ অনুমতি দিয়ে। স্বাধীনতাই ব্যক্তিক নিজৰ বিচাৰ-বুদ্ধি আৰু প্ৰয়োগৰ অধিকাৰ প্ৰদান কৰে।

> **আমি কৰো আহা**
>
> ল'ৰা বা ছোৱালীবোৰে কাক বিয়া কৰাব, সেই ক্ষেত্ৰত সিদ্ধান্ত লোৱাত তেওঁলোক মুক্ত। এইক্ষেত্ৰত মাক বা বাপেকে একো ক'ব নোৱাৰে।

### সীমাবদ্ধতাৰ উৎস (The Sources of Constraints) ঃ

বাহ্যিক নিয়ন্ত্ৰণ আৰু স্বেচ্ছাচাৰী শাসনৰ ফলত ব্যক্তি স্বাধীনতাত বাধাৰ সৃষ্টি হ'ব পাৰে। বল বা শক্তি প্ৰয়োগৰ দ্বাৰাও ব্যক্তি স্বাধীনতাত বাধা আৰোপ কৰা হয়। তদুপৰি চৰকাৰে আইনৰ জৰিয়তেও ব্যক্তি স্বাধীনতাত হস্তক্ষেপ বা নিয়ন্ত্ৰণ কৰিব পাৰে।

ঔপনিৱেশিক শাসকসকলে জনসাধাৰণৰ ওপৰত এনেধৰণৰ বাধা-নিষেধ আৰোপ কৰিছিল। দক্ষিণ আফ্রিকাৰ বৰ্ণবাদী আমোলত জনসাধাৰণৰ ওপৰত কিছুমান বাধা-নিষেধ জাপি দিয়া হৈছিল। ফলত জনসাধাৰণ স্বাধীনতা উপভোগৰ পৰা বঞ্চিত হৈছিল। শাসনৰ বাবে চৰকাৰ অপৰিহাৰ্য। অৱশ্যে গণতান্ত্রিক চৰকাৰৰ শাসনত জনসাধাৰণে কিছু পৰিমাণে শাসকসকলক নিয়ন্ত্রণ কৰিবলৈ সক্ষম হয়। সেইবাবে, গণতান্ত্রিক চৰকাৰ পদ্ধতিক জনসাধাৰণৰ স্বাধীনতা সুৰক্ষাৰ এটা গুৰুত্বপূৰ্ণ উপায় হিচাপে বিবেচনা কৰা হয়। সমাজত প্ৰচলিত অসমতাৰ ফলতো স্বাধীনতা উপভোগত সীমাবদ্ধতা আহি পৰে। জাতি ব্যৱস্থাত প্ৰতিফলিত সামাজিক অসমতা অথবা অৰ্থনৈতিক অসমতাৰ বাবে ব্যক্তি স্বাধীনতা সীমিত হয়। স্বাধীনতাৰ সীমাবদ্ধতাসমূহ দূৰ কৰাৰ বাবে নেতাজী সুভাষ চন্দ্ৰ বসুৱে এটা উল্লেখযোগ্য অভিমত আগবঢ়াইছিল।

**স্বাধীনতা আৰু নেতাজী সুভাষ চন্দ্ৰ বসু (Netaji Subhas Chandra Bose on Freedom)**

তেওঁ কৈছিল, 'যদি আমি এক আদৰ্শৰ বিপ্লৱ আনিব বিচাৰো প্ৰথমে আমি এনে এটা আদৰ্শ দাঙি ধৰিব লাগিব, যিয়ে আমাৰ সমগ্ৰ জীৱন উদ্দীপিত কৰি তুলিব। সেই আদৰ্শই হ'ল স্বাধীনতা। কিন্তু স্বাধীনতা এনে এটা শব্দ, যাৰ ভিন্ ভিন্ অৰ্থ আছে আৰু আনকি আমাৰ দেশতো, স্বাধীনতাৰ ধাৰণাই এক বিৱৰ্তনৰ মাজেদি আগবাঢ়িছে। স্বাধীনতা মানে মই সম্পূৰ্ণ স্বতন্ত্ৰতাক বুজো, যেনে— ব্যক্তি আৰু সমাজৰ স্বতন্ত্ৰতা; ধনী আৰু দুখীয়াৰ স্বতন্ত্ৰতা; পুৰুষ আৰু নাৰীৰ স্বতন্ত্ৰতা; সকলো ব্যক্তি আৰু শ্ৰেণীৰ স্বতন্ত্ৰতা। স্বাধীনতাই কেৱল ৰাজনৈতিক দাসত্বৰ পৰা মুক্ত হোৱাটোকে নুবুজায়, ইয়ে সম্পদৰ সম-বিতৰণ, জাতি ব্যৱস্থাৰ বাধা-নিষেধ আৰু সামাজিক অসমতা বিলোপ সাধন কৰা, লগতে সাম্প্ৰদায়িকতাবাদ আৰু ধৰ্মীয় অসহিষ্ণুতা ধ্বংস কৰাটোকো বুজায়। বাস্তৱবাদী পুৰুষ-মহিলাসকলৰ বাবে এই ধৰণৰ এক আদৰ্শ কাল্পনিক যেন অনুভৱ হ'ব পাৰে, কিন্তু কেৱল এনেকুৱা এক আদৰ্শইহে আত্মাৰ ক্ষুধা পৰিতৃপ্ত কৰিব পাৰে।'

(১৯২৯ চনৰ ১৯ অক্টোবৰ তাৰিখে লাহোৰত অনুষ্ঠিত ছাত্ৰ সন্মিলনৰ সভাপতিৰ ভাষণৰ পৰা উদ্ধৃত)

## ২.৩ সীমাবদ্ধতাৰ প্ৰয়োজনীয়তা কি ? (Why Do We Need Constraints)

সম্পূৰ্ণ বাধাহীন পৰিৱেশ বিৰাজ কৰা এখন সমাজত বাস কৰাৰ কথা আমি কল্পনা কৰিব নোৱাৰো। সমাজত কিছুমান বাধা-নিষেধ নাথাকিলে সমাজত বিশৃংখলতা আহি পৰিব। অৱশ্যে জনসাধাৰণৰ মাজত আদৰ্শ আৰু মতামতৰ ভিন্নতা সৃষ্টি হ'ব পাৰে। তেওঁলোকৰ আশা-আকাংক্ষাৰ মাজত বিৰোধ ঘটিব পাৰে। তেওঁলোকে সীমিত সম্পদ

আহৰণৰ বাবে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব পাৰে। সমাজত এনে ধৰণৰ মতানৈক্য সৃষ্টি হোৱাৰ বহুতো কাৰণ থাকিব পাৰে। কেতিয়াবা এনেধৰণৰ মতানৈক্যৰ ফলত সমাজত বিবাদৰ সূত্ৰপাত হ'বও পাৰে। আমাৰ চাৰিওকাষে কিছুমান মানুহে গুৰুত্বপূৰ্ণ অথবা গুৰুত্বহীন সকলো কথাতে কাজিয়া কৰা দেখা যায়। সেইবোৰৰ ভিতৰত ৰাস্তাত গাড়ী চলাই যাওঁতে খং উঠা, ঘৰ বা মাটিৰ বাবে কাজিয়া কৰা, গাড়ী পাৰ্কিং কৰা ঠাইৰ বাবে কাজিয়া কৰা, বিশেষ কোনো এখন চিনেমা প্ৰদৰ্শন কৰাক লৈ মতানৈক্য ঘটা ইত্যাদি অন্যতম উদাহৰণ বুলিব পাৰি। এনেধৰণৰ সমস্যাৰ লগতে আন আন বহুতো সমস্যাই সমাজত বিবাদ সংঘটিত আৰু হিংসাত্মক পৰিৱেশৰ সৃষ্টি কৰে। কেতিয়াবা মানুহৰ প্ৰাণহানি হোৱাও দেখা যায়। সেই বাবে প্ৰতিখন সমাজতে কিছুমান ব্যৱস্থা থকা প্ৰয়োজন, যিয়ে সমাজত বিবাদ নিষ্পত্তি আৰু হিংসা নিয়ন্ত্ৰণ কৰিব পাৰে। এজনে আনজনৰ মতামতক শ্ৰদ্ধা কৰিব জানিলে আৰু আমাৰ নিজৰ মতামত আনৰ ওপৰত জাপি দিয়াৰ পৰা বিৰত থাকিব পাৰিলে আমি সমাজত সীমিত বাধা-নিষেধৰ মাজতো মুক্তভাৱে জীয়াই থাকিবলৈ সক্ষম হ'ব পাৰো। এখন আদৰ্শ স্বাধীন সমাজত আমি মুক্তভাবে নিজৰ মতামত প্ৰকাশ, জীৱন নিৰ্বাহৰ

### উদাৰতাবাদ (Liberalism)

কোনো ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক বৰ উদাৰ বুলি ক'লে আমি সাধাৰণতে তেওঁলোক বৰ সহনশীল বুলি ধাৰণা কৰো। ৰাজনৈতিক আদৰ্শ হিচাপে, উদাৰতাবাদক সহনশীলতাৰ নীতিৰ সৈতে চিহ্নিত কৰা হয়। উদাৰতাবাদীসকলে ব্যক্তিৰ নিজস্ব মতামত পোষণ আৰু প্ৰকাশৰ স্বাধীনতাক সমৰ্থন কৰি আহিছে। তেওঁলোকৰ মতে আনকি ব্যক্তিয়ে কোনোধৰণৰ বিপৰীত বা বিৰোধপূৰ্ণ মতামতো প্ৰকাশ কৰিব পাৰে। অৱশ্যে উদাৰতাবাদে কেৱল ইয়াকে নুবুজায়। উদাৰতাবাদৰ উপৰি আন বহুতো আধুনিক মতবাদে সহনশীলতা নীতিক সমৰ্থন কৰে।

আধুনিক উদাৰতাবাদৰ অন্যতম বৈশিষ্ট্য হ'ল যে ইয়ে ব্যক্তি স্বাধীনতাৰ ওপৰত অধিক মনোযোগ অৰ্পণ কৰিছে। এই মতবাদৰ সমৰ্থকসকলৰ মতে, পৰিয়াল, সমাজ, সম্প্ৰদায় আদি সত্তাসমূহৰ কোনো নিজস্ব মূল্য নাই যদিহে ব্যক্তিৰ কোনো মূল্য নাথাকে। ব্যক্তিৰ গুৰুত্ব থাকিলেহে পৰিয়াল, সমাজ, সম্প্ৰদায়ৰ গুৰুত্ব বৰ্তি থাকে। উদাহৰণস্বৰূপে, তেওঁলোকৰ মতে কোনো এজনক বিয়া কৰোৱাৰ সিদ্ধান্ত ব্যক্তিয়ে নিজে গ্ৰহণ কৰিব পাৰিব লাগে। এই সিদ্ধান্ত পৰিয়াল, জাতি অথবা সম্প্ৰদায়ে ল'ব নালাগে। উদাৰতাবাদীসকলে সমতাৰ পৰিৱৰ্তে ব্যক্তি স্বতন্ত্ৰতাক অগ্ৰাধিকাৰ প্ৰদান কৰে। তেওঁলোকে ৰাজনৈতিক কৰ্তৃত্বৰ প্ৰতি সন্দেহ প্ৰকাশ কৰে।

ঐতিহাসিকভাৱে, উদাৰতাবাদে মুক্ত বজাৰ, অৰ্থনীতি আৰু ৰাষ্ট্ৰৰ নূন্যতম ভূমিকা সমৰ্থন কৰে। অৱশ্যে আধুনিক সময়ৰ উদাৰতাবাদে কল্যাণকামী ৰাষ্ট্ৰৰ ভূমিকাক স্বীকৃতি দিছে। আধুনিক উদাৰতাবাদে সমাজত অৰ্থনৈতিক আৰু সামাজিক অসমতা হ্ৰাস কৰিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তা মানি লৈছে।

নিজস্ব নিয়মৰ বিকাশ আৰু আমাৰ উদ্দেশ্য সাধন কৰিব পৰা উচিত।

কিন্তু, এনেধৰণৰ এখন আদৰ্শপূৰ্ণ সমাজ গঢ়িবলৈ কিছুমান সীমাবদ্ধতাৰ প্ৰয়োজন আছে। অতি কমেও আনৰ মতামত, দৃষ্টিভংগী আৰু বিশ্বাসৰ প্ৰতি শ্ৰদ্ধা কৰিবলৈ আমাৰ আগ্ৰহ থাকিব লাগিব। কেতিয়াবা আমাৰ বিশ্বাসৰ তীব্ৰ সমৰ্থনত আমাৰ মতামত অস্বীকাৰ কৰা অথবা ভিন্ন মতামত প্ৰকাশ কৰাসকলক বিৰোধিতা কৰিবই লাগিব বুলি মনত ভাব হয়। তেওঁলোকৰ মতামত অথবা জীৱন নিৰ্বাহৰ পদ্ধতি আমাৰ বাবে গ্ৰহণযোগ্য বা বাঞ্ছনীয় নহয় যেন লাগে। এনে পৰিস্থিতিত কিছুমান আইনগত আৰু ৰাজনৈতিক সীমাবদ্ধতাৰ প্ৰয়োজন আছে। এই সীমাবদ্ধতাই আনৰ ওপৰত কোনো ধৰণৰ দলগত বা ব্যক্তিগত মতামত বলপূৰ্বকভাৱে জাপি নিদিয়াকৈ আমাৰ মাজত থকা ভিন্নতা বা মতানৈক্যসমূহ মুকলিভাৱে আলোচনা কৰাৰ এটা পৰিৱেশ নিশ্চিত কৰে। নিকৃষ্ট পৰ্যায়ত, আনৰ ইচ্ছাত সন্মতি জনাবলৈ হাৰাশাস্তি বা ভীতিগ্ৰস্ত কৰি আমাক বাধ্য কৰাবও পাৰে। যদি এনেকুৱা হয়, আমাৰ স্বাধীনতা ৰক্ষণাবেক্ষণৰ বাবে আইনৰ শক্তিশালী সমৰ্থন বিচাৰিব পাৰো।

স্বাধীনতাৰ কোনবোৰ সীমাবদ্ধতা প্ৰয়োজনীয় আৰু ন্যায়সংগত হয় বা নহয় তাক চিনাক্ত কৰাটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। ব্যক্তিয়ে কি কি কাৰ্য কৰিব পাৰে বা নোৱাৰে তাক কোন প্ৰকাৰৰ কৰ্তৃপক্ষই ন্যায়সংগতভাৱে নিৰ্ধাৰণ কৰিব পাৰে? তদুপৰি, আমাৰ জীৱন আৰু কাৰ্যৰ এনেকুৱা কিছুমান দিশ আছে নেকি, যিবোৰ সকলো প্ৰকাৰৰ বাহ্যিক নিয়ন্ত্ৰণৰ পৰা মুক্ত ৰখা উচিত?

### ২.৪ ক্ষতিকাৰক নীতি (Harm Principle) ঃ

এই প্ৰশ্নবোৰৰ সন্তোষজনকভাৱে উত্তৰ দিবলৈ হ'লে আমি সীমাবদ্ধতা, যোগ্যতা আৰু আৰোপকৰণৰ ফলাফলসমূহ পৰীক্ষা কৰিব লাগিব। জন ষ্টুৱাৰ্ট মিলে তেওঁৰ “অন লিবাৰ্টি” (On Liberty) নামৰ গ্ৰন্থত বাকচাতুৰ্যৰে উত্থাপন কৰা স্বাধীনতাৰ দিশসমূহো আমি চালি-জাৰি চাব লাগিব। ৰাজনৈতিক তত্ত্বৰ আলোচনাত ইয়াক ক্ষতিকাৰক নীতি বুলি অভিহিত কৰা হয়। এই নীতি অনুসৰি কোনো মানুহ বা মানৰ সম্প্ৰদায়ে কেৱল এটা



তেওঁ কিয় পুৰুষ জাতিৰ বিষয়ে ক'লে? মহিলাসকলৰ বিষয়ে কিয় নক'লে?

কাৰণত ব্যক্তি স্বাধীনতাৰ ওপৰত হস্তক্ষেপ কৰিব পাৰে। সেইটো হ'ল আত্মৰক্ষা। অৰ্থাৎ সমাজে ব্যক্তিৰ কাৰ্যক, তেওঁৰ ইচ্ছাৰ বিৰুদ্ধেও, নিয়ন্ত্ৰণ কৰিব পাৰে যদিহে সেই কাৰ্যৰ দ্বাৰা সমাজৰ ক্ষতি বা অপকাৰ হোৱাৰ আশংকা থাকে।

জন ষ্টুৱাৰ্টমিলে ব্যক্তিৰ কাৰ্য নিজৰ লগত জড়িত (নিজ সম্বন্ধীয়—Self-regarding) আৰু আনৰ লগত জড়িত ( আন সম্বন্ধীয়— Other-regarding) এই দুটা ভাগত বিভাজিত কৰিছে। অৰ্থাৎ মিলে ব্যক্তিৰ নিজ সম্বন্ধীয় (Self -regarding) আৰু আন সম্বন্ধীয় (Other regarding) কাৰ্যৰ মাজত স্পষ্ট প্ৰভেদ অংকন কৰিছে। মিলৰ মতে, ব্যক্তিৰ যিবোৰ কাৰ্য তেওঁৰ নিজৰ বাহিৰে আন কাৰো লগত সম্বন্ধিত নহয়, সেইবোৰ হ'ল 'নিজ সম্বন্ধীয়' কাৰ্য। আনহাতে ব্যক্তিৰ যিবোৰ কাৰ্যৰ আনৰ সৈতে সম্বন্ধ থাকে, সেইবোৰ হ'ল 'আন সম্বন্ধীয়' কাৰ্য। মিলে যুক্তি দৰ্শাই কৈছিল যে ব্যক্তিৰ যিবোৰ কাৰ্য তেওঁৰ নিজৰ বাহিৰে আন কাৰো লগত সম্বন্ধিত নহয়, সেইবোৰ কাৰ্যত ৰাষ্ট্ৰ বা আন কোনো বাহ্যিক কৰ্তৃত্বই নিয়ন্ত্ৰণ বা হস্তক্ষেপ কৰা উচিত নহয়। সহজ ভাষাত ক'বলৈ হ'লে ব্যক্তিৰ যিবোৰ কাৰ্যই আনক কোনো ধৰণে প্ৰভাৱিত বা অপকাৰ নকৰে, সেইবোৰ কাৰ্যত তেওঁ সম্পূৰ্ণ স্বতন্ত্ৰ বা স্বাধীন। ইয়াৰ বিপৰীতে ব্যক্তিৰ কাৰ্যই যদি আনৰ স্বাধীনতা উপভোগত বাধাৰ সৃষ্টি কৰে তেতিয়া ৰাষ্ট্ৰই ব্যক্তি স্বাধীনতাত হস্তক্ষেপ বা নিয়ন্ত্ৰণ কৰিব পাৰে। অৰ্থাৎ যদি কোনো এজন ব্যক্তিৰ কাৰ্যই সমাজৰ আন আন মানুহৰ অনিষ্ট বা অপকাৰ সাধনৰ আশংকা

## ভাবি চাওঁ আহা

**সাজ-পোছাক পৰিধানৰ নিয়মাৱলী**

যদি নিজৰ পছন্দ অনুসৰি সাজ-পোছাক পৰিধান কৰাটো এজন ব্যক্তিৰ মত প্ৰকাশৰ স্বাধীনতাক বুজায়, আমি তলত উল্লেখিত পৰিস্থিতি কিদৰে বিচাৰ কৰা উচিত?

- ❒ মাও চে টুঙৰ শাসন কালত চীন দেশৰ জনগণে 'মাও ছুইট্' (Mao suits) পৰিধান কৰাটো সমতাৰ প্ৰতীক হিচাপে বিবেচিত হৈছিল।
- ❒ ছানিয়া মিৰ্জাই টেনিছ খেলত পৰিধান কৰা পোছাকৰ বিৰুদ্ধে এজন ধৰ্মগুৰুৱে নিষেধাজ্ঞা জাৰি কৰিছিল। কাৰণ ছানিয়াই পৰিধান কৰা পোছাক মুছলমান মহিলাৰ বাবে অনুমোদিত নিয়মৰ পৰিপন্থী আছিল।

- ❒ টেষ্ট ক্ৰিকেটত খেলুৱৈসকলে বগা ৰঙৰ পোছাক পৰিধান কৰিব লাগে।
- ❒ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ইউনিফৰ্ম পৰিধান কৰিব লাগে।

**আমি কিছুমান প্ৰশ্ন আলোচনা কৰো আহা**

- ❒ সাজ-পোছাক পৰিধানত বাধা-নিষেধ আৰোপ কৰাটো ন্যায়সংগত হয়নে? এনেধৰণৰ বাধা-নিষেধে কেতিয়াবা স্বাধীনতাত সীমাবদ্ধতাৰ সৃষ্টি কৰে নে?
- ❒ সাজ-পোছাক পৰিধানত কোন কৰ্তৃপক্ষই বাধা-নিষেধ জাৰি কৰিব পাৰে? এই কৰ্তৃত্ব ধৰ্মীয় নেতাসকলক দিয়াটো উচিত হ'ব নে? ৰাষ্ট্ৰৰ কৰ্তৃত্ব আছে নেকি? ক্ৰিকেট খেলত কি পোছাক পৰিধান কৰিব লাগিব, সেইটো আই চি চিয়ে (ICC) নিৰ্ণয় কৰা উচিত নে?
- ❒ এনেধৰণৰ বাধা-নিষেধ অতিমাত্ৰা নহয়নে? অতিমাত্ৰা বাধা-নিষেধ আৰোপকৰণৰ ফলত ব্যক্তিৰ নিজকে মুক্তভাৱে প্ৰকাশৰ স্বাধীনতা সংকুচিত নহয়নে?
- ❒ বাধা-নিষেধ জাৰি কৰাৰ পৰিণাম কি হ'ব পাৰে? একেধৰণৰ পোছাক পিন্ধিলেই সমাজত সমতা প্ৰতিষ্ঠা হ'বনে? খেলৰ বাবে উপযুক্ত পোছাক পৰিধান কৰিব নোৱাৰিলে মহিলাই খেলত অংশগ্ৰহণৰ পৰা বঞ্চিত নহ'বনে?

থাকে, তেন্তে সমাজ বা ৰাষ্ট্ৰই হস্তক্ষেপ কৰি ব্যক্তি স্বাধীনতাক ৰক্ষণাবেক্ষণ দিব লাগিব। গতিকে ৰাষ্ট্ৰই ব্যক্তিৰ কাৰ্যত বাধা-নিষেধ আৰোপ কৰিব পাৰে, যদিহে ব্যক্তিৰ কাৰ্যই সমাজত আন মানুহৰ অনিষ্ট সাধন কৰে।

মানৱ সমাজৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল স্বাধীনতা। সমাজত এটা মৰ্য্যাদাপূৰ্ণ মানৱ জীৱন যাপনৰ বাবে স্বাধীনতাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সেইবাবে কিছুমান বিশেষ পৰিস্থিতিতহে ব্যক্তি স্বাধীনতাত নিয়ন্ত্ৰণ আৰোপ কৰা উচিত। 'ক্ষতিকাৰক কাৰণটো' গুৰুতৰ ধৰণৰ হ'লেহে ব্যক্তি স্বাধীনতাত বাধা-নিষেধ আৰোপ কৰিব লাগে। কম গুৰুত্বপূৰ্ণ বা গৌণ পৰিমাণৰ ক্ষতিৰ কাৰণে মিলে আইন অথবা শক্তি প্ৰয়োগৰ সমৰ্থন কৰা নাছিল। মিলে সমাজিক বিৰোধিতা কৰা বা সামাজিক গৰিহণা দিয়াৰ সপক্ষে মতামত আগবঢ়াইছিল। উদাহৰণস্বৰূপে, এটা এপাৰ্টমেণ্টত এজন ব্যক্তিয়ে ডাঙৰ শব্দ কৰি গান বজালে, তাৰ বাসিন্দাসকলে বিৰোধিতা কৰিব লাগে। এনেধৰণৰ কাৰ্যৰ বাবে তেওঁলোকে পুলিচৰ সহায় ল'ব নালাগে। এইক্ষেত্ৰত তেওঁলোকে পোৱা অসন্তুষ্টি প্ৰকাশ কৰিব লাগে। বাসিন্দাসকলে সন্মুখীন হোৱা অসুবিধাৰ প্ৰতি লক্ষ্য নাৰাখি জোৰেৰে গান বজোৱা ব্যক্তিজনক সামাজিকভাৱে বিৰোধিতা কৰিব লাগে।

জোৰে গান বজোৱাৰ ফলত এপাৰ্টমেণ্টৰ বাসিন্দাসকলৰ পঢ়া-শুনাত আৰু টোপনিত বাধা জন্মে। এইটো কম গুৰুত্বপূৰ্ণ বা গৌণ ক্ষতি। সেইবাবে এনে কাৰ্যক কেৱল সামাজিকভাৱে বিৰোধিতা কৰিব লাগে। এইটো আইনগত শাস্তিৰ বাবে এক উপযুক্ত উদাহৰণ নহয়। আন সম্বন্ধীয় কাৰ্যই যদি নিৰ্দিষ্ট কোনো বক্তিৰ গুৰুতৰ অপকাৰ সাধন কৰে, তেতিয়া আইনৰ সহায়ত ব্যক্তিৰ কাৰ্যত বাধা-নিষেধ আৰোপ কৰিব লাগে। অন্যথা স্বাধীনতা ৰক্ষণাবেক্ষণৰ স্বাৰ্থত সমাজ কষ্ট আৰু অসুবিধাৰ সন্মুখীন হয়।

সমাজত জীৱন নিৰ্বাহৰ ভিন্ন ভিন্ন পদ্ধতি, ভিন্ন ভিন্ন দৃষ্টিভংগী আৰু ভিন্ন ভিন্ন স্বাৰ্থ পৰিলক্ষিত হয়। জনসাধাৰণে এই ভিন্নতাবোৰৰ প্ৰতি সহনশীল হ'বলৈ প্ৰস্তুত হোৱা উচিত। কিন্তু যিবোৰ মতামত আৰু কাৰ্যই জনসাধাৰণক বিপদত পেলোৱাৰ সম্ভাৱনা থাকে অথবা জনসাধাৰণৰ মাজত ঘৃণাৰ মনোভাব সিঁচি দিয়াত উদগনি যোগায়, সেইবোৰৰ প্ৰতি সহনশীল হ'ব নালাগে। ঘৃণাৰ প্ৰচাৰে ব্যক্তি স্বাধীনতাত গুৰুতৰ অনিষ্ট সাধন কৰে। যিবোৰ কাৰ্যই ব্যক্তি স্বাধীনতাত গুৰুতৰ অনিষ্ট সাধন কৰে, সেইবোৰ কাৰ্যত বাধা-নিষেধ আৰোপ কৰিব লাগে। অৱশ্যে বাধা-নিষেধসমূহ যাতে অধিক কঠোৰ নহয়, সেইটো আমি নিশ্চিত কৰিব লাগিব। কাৰণ অধিক বাধা-নিষেধৰ ফলত স্বাধীনতাৰ নিজস্ব সত্তা ধ্বংস হ'ব পাৰে। উদাহৰণস্বৰূপে যিসকলে ঘৃণাৰ প্ৰচাৰ কাৰ্যত লিপ্ত হয়, তেওঁলোকক যাৱজ্জীৱন কাৰাদণ্ড বিহাটো আমি সমৰ্থন কৰিব নালাগে। হয়তো তেওঁলোকৰ চলন-ফুৰণত কিছুমান সীমাবদ্ধতা আৰোপ কৰিব পাৰে অথবা তেওঁলোকৰ ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ অধিকাৰ কিছু পৰিমাণে কৰ্তন কৰাৰ বিষয়ে ৰাষ্ট্ৰই বিবেচনা কৰিব পাৰে। এই বিষয়ে ৰাষ্ট্ৰই তেওঁলোকক সতৰ্ক বা সাৱধানবাণী শুনাবও পাৰে।

ব্যক্তি স্বাধীনতাত ন্যায়সংগতভাৱে সীমাবদ্ধতা আৰোপ কৰিবলৈ ভাৰতীয় সংবিধানত 'যুক্তিসংগত বাধা'ৰ (Reasonable restrictions) কথা উল্লেখ আছে। ব্যক্তি স্বাধীনতা উপভোগত কিছুমান ন্যায়সংগত সীমাবদ্ধতাৰ প্ৰয়োজন আছে। কিন্তু সীমাবদ্ধতাবোৰ যুক্তিসংগত হোৱাটো বাঞ্ছনীয়। অতিমাত্ৰা সীমাবদ্ধতা আৰোপকৰণৰ ফলত সমাজত স্বাধীন পৰিৱেশ বাধাগ্ৰস্ত হয়। বাধা-নিষেধ আৰোপকৰণৰ এক অভ্যাস গঢ়ি তোলাটো সমীচীন নহয়। কাৰণ ই ব্যক্তি স্বাধীনতাৰ পৰিপন্থী।

## ২.৫ নকাৰাত্মক আৰু সকাৰাত্মক স্বাধীনতা (Negative and Positive Liberty) ঃ

আমি ইতিমধ্যে স্বাধীনতাৰ দুটা দিশৰ বিষয়ে উল্লেখ কৰিছো। এটা হ'ল ব্যক্তিৰ কাৰ্যত কোনো ধৰণৰ বাহ্যিক সীমাবদ্ধতাৰ অনুপস্থিতি। আনটো হ'ল এজন ব্যক্তিৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশৰ বাবে সুযোগ-সুবিধাৰ সম্প্ৰসাৰণ। স্বাধীনতাৰ এই দুটা দিশক ৰাজনৈতিক তত্ত্বত নকাৰাত্মক আৰু সকাৰাত্মক স্বাধীনতা বুলি অভিহিত কৰা হয়। নকাৰাত্মক স্বাধীনতাই ব্যক্তিৰ কাৰ্যৰ এক অলংঘনীয় পৰিসৰ বা সীমা নিৰ্ধাৰণ কৰে। অৰ্থাৎ স্বাধীনতাৰ নকাৰাত্মক ধাৰণা অনুসৰি ব্যক্তিৰ কাৰ্যত কোনো ধৰণৰ বাধা-নিষেধ অথবা সীমাৱদ্ধতা থাকিব নালাগে। ব্যক্তিয়ে স্বতন্ত্ৰ আৰু মুক্তভাৱে নিজৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সাধন কৰিব পাৰিব লাগে। সহজভাৱে ক'বলৈ হ'লে ব্যক্তিয়ে নিজৰ ইচ্ছা অনুসৰি যিকোনো কাৰ্য কৰা বা লক্ষ্যত উপনীত হ'ব পৰা অৱস্থাকে স্বাধীনতা বুলি ক'ব পাৰি। কোনো ধৰণৰ বাহ্যিক কৰ্তৃপক্ষই ব্যক্তিৰ কাৰ্যত নিয়ন্ত্ৰণ আৰোপ কৰিব নালাগে। এক মৰ্য্যাদাপূৰ্ণ মানৱ জীৱন যাপনৰ বাবে ব্যক্তিক কিছুমান স্বাধীনতা প্ৰদান কৰা উচিত। ব্যক্তিৰ এই স্বাধীনতা অতি মূল্যৱান আৰু পৱিত্ৰ বুলি গণ্য কৰা হয়। মানৱ জীৱনৰ স্বাধীনতাত কোনেও হস্তক্ষেপ কৰিব নোৱাৰে অথবা স্বাধীনতা কোনো কৰ্তৃপক্ষই খৰ্ব কৰিব নোৱাৰে। কাৰণ ব্যক্তি স্বাধীনতাৰ এক ন্যূনতম অলংঘনীয় পৰিসৰ থাকে। মানৱ জীৱনৰ প্ৰকৃতি আৰু মৰ্য্যাদা ৰক্ষণাবেক্ষণৰ বাবে এক মুক্ত পৰিৱেশৰ অতি প্ৰয়োজন। ব্যক্তি স্বাধীনতাৰ ন্যূনতম অলংঘনীয় সীমাৰেখাৰ উপস্থিতিয়ে মানৱ জীৱনৰ স্বাভাৱিক প্ৰকৃতি আৰু মৰ্য্যাদাৰ পৱিত্ৰতাক স্বীকৃতি প্ৰদান কৰে। এই ন্যূনতম অলংঘনীয় সীমাৰেখাৰ পৰিসৰ কিমানখিনি বহল অথবা বিস্তৃত হ'ব পাৰে? এই সীমাৰেখাৰ পৰিসৰত কিমানখিনি স্বাধীনতা অন্তৰ্ভুক্ত হ'ব পাৰে? এইবোৰ বিতৰ্কৰ বিষয়। অৱশ্যে এইটো ঠিক যে অলংঘনীয় সীমাৰেখাৰ পৰিসৰ যিমানেই বহল হ'ব ব্যক্তি স্বাধীনতাও সিমানেই অধিক হ'ব।

গতিকে এটা কথা স্পষ্ট যে নকাৰাত্মক স্বাধীনতাই ব্যক্তি স্বাধীনতাৰ এক অলংঘনীয় পৰিসৰৰ সপক্ষে যুক্তি দৰ্শাইছে, য'ত ব্যক্তিয়ে নিজকে প্ৰকাশ কৰিব পাৰে। এই পৰিসৰ ঠেক বা সীমিত হ'লে মানুহৰ মৰ্য্যাদাত আঘাত হয়। আমি কিছুমান সহজ প্ৰশ্ন কৰিব পাৰো ঃ বিভিন্ন পৰিৱেশত যেনে— বিদ্যালয়, খেলপথাৰ, কাৰ্যালয়

ইত্যাদিত কি ধৰণৰ পোছাক পিন্ধিব লাগে, এই সিদ্ধান্ত ব্যক্তি স্বাধীনতাৰ ন্যূনতম অলংঘনীয় পৰিসৰৰ অন্তৰ্ভুক্ত হয়নে? এনেধৰণৰ সিদ্ধান্তত বাহ্যিক কৰ্তৃপক্ষই হস্তক্ষেপ কৰিব নালাগেনে অথবা ৰাষ্ট্ৰ, ধৰ্মীয় কৰ্তৃপক্ষই আই চি চি অথবা চি বি এছ চিত হস্তক্ষেপ কৰিব পাৰে নেকি? নকাৰাত্মক স্বাধীনতাই এইবোৰ প্ৰশ্নৰ উত্তৰত এইদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে— 'কিমানখিনি পৰিসৰৰ ভিতৰত মই শ্ৰেষ্ঠ?'

সকাৰাত্মক স্বাধীনতাৰ ধাৰণাটোৰ এক দীঘলীয়া ইতিহাস আছে। ৰুছো, হেগেল, মাৰ্ক্স, গান্ধী, অৰবিন্দ আৰু লগতে তেওঁলোকৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত চিন্তাবিদসকলৰ লিখনিত এই ধাৰণাৰ ব্যাখ্যা পোৱা যায়। সকাৰাত্মক স্বাধীনতাৰ ধাৰণাটো 'কোনে মোক শাসন কৰে' এই প্ৰশ্নৰ উত্তৰৰ সৈতে জড়িত। এই প্ৰশ্নৰ নিখুঁত উত্তৰ হ'ল— 'মই নিজকে শাসন কৰোঁ'। সকাৰাত্মক স্বাধীনতাৰ ধাৰণাই ব্যক্তি আৰু সমাজৰ সম্পৰ্কৰ প্ৰকৃতি আৰু পৰিস্থিতি নিৰীক্ষণ কৰে। এই ধাৰণা অনুসৰি ব্যক্তিত্ব বিকাশৰ অন্তৰায়সমূহ দূৰ কৰি এক মুক্ত পৰিৱেশৰ সৃষ্টি কৰিব লাগে। এই ধাৰণাই ব্যক্তিক এপাহি ফুলৰ সৈতে তুলনা কৰিছে। ব্যক্তি এজনে নিজৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সাধন কৰিবলৈ সক্ষম হয়, যদিহে সমাজত এক সুস্থ আৰু অনুকূল পৰিৱেশে বিৰাজ কৰে। যিদৰে সাৰুৱা মাটি, সন্তুলিত ৰ'দ, পৰ্যাপ্ত পানী আৰু নিয়মীয়া যতন পালে এপাহি ফুল পূৰ্ণ প্ৰস্ফুটিত হ'ব পাৰে।

এজন ব্যক্তিয়ে নিজৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰিবলৈ হ'লে বৈষয়িক, ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত এক সকাৰাত্মক পৰিস্থিতি লাভ কৰা দৰকাৰ। ব্যক্তিয়ে দৰিদ্ৰতা অথবা নিৰনুৱা সমস্যাত ভুগিব নালাগিব। পৰ্যাপ্ত বৈষয়িক সম্পদ লাভ কৰি ব্যক্তিয়ে নিজৰ অভাৱ আৰু প্ৰয়োজন পূৰণ কৰিবলৈ সমৰ্থ হ'ব লাগিব। সমাজত সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ সুযোগ পোৱা উচিত, যাতে তেওঁলোকৰ পছন্দই অগ্ৰাধিকাৰ পায়। সৰ্বপ্ৰথমে ব্যক্তিয়ে নিজৰ মন আৰু বুদ্ধিমত্তা বিকাশৰ বাবে শিক্ষা গ্ৰহণৰ উপযুক্ত সুবিধা পোৱা উচিত। লগতে আন আনুষংগিক সুবিধাবোৰ লাভ কৰি এক ভাল আৰু উন্নত জীৱন যাপন কৰিবলৈ সক্ষম হ'ব লাগে।



**পৰিৱেশ বিনষ্ট কৰাৰ অধিকাৰ আমাৰ আছে নেকি?**

সকাৰাত্মক স্বাধীনতাৰ ধাৰণা অনুসৰি এজন ব্যক্তি সমাজৰ ভিতৰতহে স্বাধীন হ'ব পাৰে। সকাৰাত্মক ধাৰণাৰ সমৰ্থকসকলে এনেকুৰা এখন সমাজ গঠনৰ পোষকতা কৰে, য'ত ব্যক্তিৰ পূৰ্ণ বিকাশ সম্ভৱ হয়। আনহাতে নকাৰাত্মক ধাৰণা ব্যক্তি স্বাধীনতাৰ এক অলংঘনীয় পৰিসৰৰ সৈতে জড়িত। নকাৰাত্মক ধাৰণা অনুসৰি ব্যক্তি স্বাধীনতাৰ অলংঘনীয় পৰিসৰৰ সীমাৰেখা প্ৰসাৰিত হ'ব লাগে। সাধাৰণতে স্বাধীনতাৰ সকাৰাত্মক আৰু নকাৰাত্মক, দুয়োটা ধাৰণা এটা আনটোৰ পৰিপূৰক। এটা আনটোৰ সমাৰ্থক। অৱশ্যে স্বৈৰাচাৰী শাসকে সকাৰাত্মক ধাৰণাৰযুক্তি আৰোপ কৰি তেওঁলোকৰ শাসনৰ ন্যায্যতা প্ৰতিপন্ন কৰাৰ প্ৰয়াস কৰিব পাৰে।

### মত প্ৰকাশৰ স্বাধীনতা (Freedom of Expression)

ব্যক্তি স্বাধীনতাৰ ন্যূনতম অলংঘনীয় পৰিসৰৰ অন্তৰ্ভুক্ত এটা বিষয় হ'ল মত প্ৰকাশৰ স্বাধীনতা। জন ষ্টুৱাৰ্ট মিলৰ মতে, ব্যক্তিৰ মত প্ৰকাশৰ স্বাধীনতাত নিষেধাজ্ঞা আৰোপ কৰিব নালাগে। তেওঁ মত প্ৰকাশৰ স্বাধীনতাৰ সমৰ্থনত কিছুমান শক্তিশালী যুক্তি আগবঢ়াইছে।

কিতাপ, নাটক, চিনেমা আৰু বিদ্যায়তনিক প্ৰবন্ধ আদিৰ ওপৰত নিষেধাজ্ঞা আৰোপৰ দাবী বিভিন্ন সময়ত উত্থাপন হৈ আহিছে। এইধৰণৰ দাবী কিমান গ্ৰহণযোগ্য বা ন্যায়সংগত? কি নৈতিক যুক্তিৰ আধাৰত নিষেধাজ্ঞাৰ দাবী উত্থাপন কৰা হয়। এইবোৰ দাবী উত্থাপন কৰোঁতে উপযুক্ত বিধি বা নিয়ম মানি চলা হয়নে? এই প্ৰশ্নসমূহ আমি চিন্তা কৰি চোৱাৰ প্ৰয়োজন আছে। ব্যক্তিৰ মত প্ৰকাশৰ স্বাধীনতাক এক মৌলিক প্ৰমূল্য হিচাপে গণ্য কৰা হয়। সেইবাবে সমাজে জনসাধাৰণৰ মত প্ৰকাশৰ স্বাধীনতাক ৰক্ষণাবেক্ষণৰ স্বাৰ্থত কষ্ট স্বীকাৰ কৰিবলৈ আগ্ৰহী হ'ব লাগিব। ভল্টেয়াৰে কৈছিল— 'মই তোমাৰ মতামতৰ সৈতে একমত নহ'বও পাৰো। কিন্তু তোমাৰ মতামত প্ৰকাশৰ অধিকাৰ মৃত্যুলৈকে সমৰ্থন কৰিম।' আমি কিমান নিষ্ঠাৰে মত প্ৰকাশৰ স্বাধীনতা সমৰ্থন কৰো?

কিছু বছৰৰ আগতে চিত্ৰনিৰ্মাতা দীপা মেহতাই বাৰাণসীৰ বিধৱা মহিলাৰ বিষয়ে এখন চিনেমা নিৰ্মাণ কৰিব খুজিছিল। তেওঁ বিধৱা মহিলাৰ দুৰ্দশা চিনেমাৰ জৰিয়তে প্ৰকাশ কৰিব বিচাৰিছিল। কিন্তু সমাজৰ একাংশ মানুহে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছিল। চিনেমাখনে ভাৰতবৰ্ষৰ দুৰ্নাম আনিব বুলি তেওঁলোকে ভাবিছিল।

### মত প্ৰকাশৰ স্বাধীনতা (Freedom of Expression)

ঊনৈশ শতিকাৰ গ্ৰেট ব্ৰিটেইনৰ এজন প্ৰখ্যাত ৰাজনৈতিক চিন্তাবিদ হ'ল জন ষ্টুৱাৰ্ট মিল। মিলক ব্যক্তি স্বাধীনতাৰ উপাসক বুলিও কোৱা হয়। তেওঁ 'On Liberty' নামৰ গ্ৰন্থখনত ব্যক্তিৰ মত প্ৰকাশৰ স্বাধীন চিন্তা আৰু আলোচনা কৰাৰ স্বাধীনতাক শক্তিশালীভাৱে সমৰ্থন কৰিছিল। ব্যক্তিৰ মত প্ৰকাশৰ স্বাধীনতাৰ সপক্ষে মিলে যুক্তি দি কৈছিল যে যিসকল ব্যক্তিয়ে আনকি অসত্য বা ভ্ৰান্ত ধাৰণা সমৰ্থন কৰে, তেওঁলোকৰো মত প্ৰকাশৰ স্বাধীনতা আছে। তেখেতে ব্যক্তিৰ মত প্ৰকাশৰ সমৰ্থনত চাৰিটা যুক্তি আগবঢ়াইছিল।

প্ৰথমতে, মিলৰ মতে কোনো ধাৰণা বা মতামত সম্পূৰ্ণ অসত্য হ'ব নোৱাৰে। অসত্য বুলি বিবেচিত ধাৰণাৰ মাজতো সত্য নিহিত থাকে। সেইগতিকে, অসত্য বা অশুদ্ধ মতামত নিষিদ্ধ কৰিব নালাগে। কাৰণ ইয়াৰ ফলত লুকাই থকা সত্য উদ্‌ঘাটন নহ'ব।

দ্বিতীয়তে, সত্য নিজে নিজে প্ৰকাশ নহয়। বিপৰীতমুখী মতামতৰ মাজত সংঘটিত বিৰোধৰ ফলতহে সত্য পোহৰলৈ আহে। বিৰোধ আৰু বিতৰ্কৰ মাজেৰেহে প্ৰকৃত সত্য উদ্‌ঘাটন হ'ব পাৰে। আনকি সঁচা বা শুদ্ধ বুলি বিবেচিত মতামত বা ধাৰণাৰ বিষয়েও আলোচনা হ'ব লাগে।

তৃতীয়তে, বিপৰীতমুখী মতামতৰ



তেওঁলোকে বিশ্বাস কৰিছিল যে চিনেমাখন বিদেশী দৰ্শকৰ বাবে নিৰ্মাণ কৰা হ'ব আৰু ভাৰতবৰ্ষৰ এখন প্ৰাচীন ঐতিহ্যময় চহৰৰ বিষয়ে বিদেশী দৰ্শকৰ মনত বেয়া মনোভাব সৃষ্টি কৰিব। সেইবাবে তেওঁলোকে বাৰাণসীত চিনেমাখন নিৰ্মানৰ অনুমতি দিয়া নাছিল। পৰৱৰ্তী সময়ত আন ঠাইত চিনেমাখন নিৰ্মাণ কৰা হয়। সেইদৰে অ'ব্ৰে মেননৰ 'ৰামায়ণ ৰিট'ল্ড' (Ramayana Retold ) আৰু ছলমান ৰুছদিৰ 'দি ছাটানিক ভাৰ্ছেছ'(The Satanic Verses) নামৰ গ্ৰন্থ দুখন নিষিদ্ধ কৰা হৈছিল। একাংশ লোকে এই গ্ৰন্থ দুখনৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। 'দি লাষ্ট টে'মটেশ্বন অৱ খ্ৰাইষ্ট' (The Last Tem-ptation of Christ) আৰু 'মে নাথুৰাম বোলেতে' (Me Nathuram Boltey) নাটক দুখনো নিষিদ্ধ কৰা হৈছিল।

নিষিদ্ধকৰণ এক হ্ৰস্বম্যাদী সমাধান হ'লেও, দীৰ্ঘম্যাদী সময়ৰ পৰিপ্ৰেক্ষিতত ই ক্ষতিকাৰক হ'ব পাৰে। নিষিদ্ধকৰণ এক নিয়মীয়া অভ্যাসত পৰিণত হোৱাৰ আশংকা থাকে। কিন্তু ইয়াৰ অৰ্থ এইটো হ'বনে যে আমি কেতিয়াও নিষিদ্ধ কৰিব নালাগে? সৰ্বোপৰি আমাৰ দেশত চিনেমা নিষিদ্ধকৰণৰ ব্যৱস্থা আছে। এইটো নিষিদ্ধকৰণৰ সদৃশ নহয়নে, য'ত সমগ্ৰ চিনেমা-খনৰ সলনি কোনো এটা অংশ নিষিদ্ধ কৰা হয়। কেতিয়া নিষিদ্ধ কৰিব লাগে আৰু কেতিয়া নালাগে? কেতিয়াও নিষিদ্ধ কৰিব নালাগে নেকি? এই প্ৰশ্নসমূহৰ বিষয়ে আলোচনা আৰু

বিতর্ক হৈ আহিছে। ইংলেণ্ডত ৰজাৰ ঘৰত কাম কৰা কৰ্মচাৰীসকলৰ লগত একধৰণৰ চুক্তি কৰা হয়। এই চুক্তিৰ দ্বাৰা কৰ্মচাৰীসকলক ৰজা ঘৰৰ ভিতৰুৱা কথা প্ৰকাশত বাধা দিয়া হয়। গতিকে কৰ্মচাৰীসকলে ৰজাঘৰৰ ভিতৰুৱা কথা লিখি কোনো প্ৰবন্ধ অথবা কিতাপ প্ৰকাশ কৰিব নোৱাৰে। মত প্ৰকাশৰ স্বাধীনতাত ই এক অনুচিত বাধা-নিষেধ নহয়নে?

এইদৰে দেখা যায় যে সমাজত বিভিন্ন ধৰণৰ বাধা-নিষেধৰ প্ৰচলন আছে। ভিন্ ভিন্ পৰিস্থিতিত আমি ভিন্ ভিন্ বাধা-নিষেধৰ মুখামুখি হওঁ। সংগঠিতভাৱে সামাজিক, ধৰ্মীয়, সাংস্কৃতিক কৰ্তৃত্ব আৰু ৰাষ্ট্ৰৰ দ্বাৰা সমৰ্থিত বাধা-নিষেধবোৰে আমাৰ স্বাধীনতা সীমিত কৰে। এই বাধা-নিষেধবোৰ আমি বিৰোধিতা কৰিব নোৱাৰো। যদি ইচ্ছাকৃতভাৱে অথবা আমাৰ লক্ষ্য আৰু আকাংক্ষা পূৰণৰ স্বাৰ্থত আমি কিছুমান বাধা-নিষেধ মানি চলো, তেতিয়া আমাৰ স্বাধীনতা সীমিত নহয়। বাধা-নিষেধ চলিবলৈ আমাৰ ওপৰত যদি বল প্ৰয়োগ কৰা নহয়, তেতিয়া আমাৰ স্বাধীনতা কৰ্তন কৰা হৈছে বুলি দাবী কৰিব নোৱাৰো।

স্বাধীনতা মানে ব্যক্তিৰ কাৰ্যত বাধা-নিষেধৰ অনুপস্থিতি। এই ব্যাখ্যাৰে আমি আলোচনা আৰম্ভ কৰিছিলো। আমি এতিয়া বুজিব পাৰিছো যে স্বাধীনতা মানে ব্যক্তিৰ সিদ্ধান্ত গ্ৰহণৰ সামৰ্থ্য আৰু দক্ষতাক বুজায়। যেতিয়া আমি সিদ্ধান্ত লওঁ তেতিয়া আমাৰ কাৰ্য আৰু তাৰ পৰিণামৰ দায়িত্বও গ্ৰহণ কৰিব লাগে। এইটো কাৰণতে স্বাধীনতাৰ সমৰ্থকসকলে শিশুক অভিভাৱকৰ তত্ত্বাৱধানত ৰাখিব লাগে বুলি মত প্ৰকাশ কৰিছে। উপযুক্ত শিক্ষাৰ জৰিয়তে সঠিক সিদ্ধান্ত গ্ৰহণ আৰু কাৰ্য কৰা, কোনো সিদ্ধান্ত বা কাৰ্যৰ যুক্তিসংগত মূল্যাংকন কৰা আৰু আমাৰ কাৰ্যৰ দায়িত্ব মূৰ পাতি লোৱাৰ সামৰ্থ্য আমি গঢ়ি তুলিব পাৰিব লাগিব। তদুপৰি ৰাষ্ট্ৰ আৰু সমাজৰ কৰ্তৃত্ব ন্যায়সংগতভাৱে সীমিত হ'ব লাগে।

মাজত সৃষ্টি হোৱা বিৰোধ অতীত, বৰ্তমান আৰু ভৱিষ্যত সকলো সময়তে গুৰুত্বপূৰ্ণ। বিৰোধিতা নকৰাকৈ থকা সঁচা মত বা ধাৰণা পূৰ্ব সংস্কাৰ বা অন্ধ মতত পৰিণত হোৱাৰ আশংকা থাকে। বিৰোধ আৰু বিতৰ্কৰ মাধ্যমত উপনীত হোৱা মতামত বিশ্বাসযোগ্য বুলি নিশ্চিত কৰিব পাৰি।

শেষত, আমি সঁচা বুলি ভাবি থকা মতামত প্ৰকৃততে সঁচা নহ'বও পাৰে। কাৰণ কোনো মানুহেই সত্যৰ সম্পূৰ্ণ ৰূপ দেখা নাপায়। কোনো এটা সময়ত সমাজে মিছা বা অশুদ্ধ বুলি গণ্য কৰা মতামত পৰৱৰ্তী সময়ত সঁচা বুলি পৰিগণিত হ'ব পাৰে। সেইবাবে সমাজে কোনো মতামত বা ধাৰণা অশুদ্ধ বা মিছা বুলি দমন কৰিব নালাগে। কাৰণ কোনো মতামত সম্পূৰ্ণ মিছা বা অশুদ্ধ নহয়। মিছা বা অশুদ্ধ বিবেচিত মতামতৰ মাজতো কিছু পৰিমানে মূল্যৱান জ্ঞান লুকাই থাকিব পাৰে।

# ? অনুশীলনী

অনুশীলনী

১. স্বাধীনতা মানে কি বুজা? ব্যক্তি স্বাধীনতা আৰু ৰাষ্ট্ৰৰ স্বাধীনতাৰ মাজত সম্পৰ্ক আছেনে?

২. স্বাধীনতাৰ সকাৰাত্মক আৰু নকাৰাত্মক ধাৰণাৰ মাজত পাৰ্থক্য কি কি?

৩. সামাজিক বাধা-নিষেধ মানে কি? স্বাধীনতা উপভোগৰ বাবে বাধা-নিষেধৰ প্ৰয়োজনীয়তা আছেনে?

৪. নাগৰিকৰ স্বাধীনতা ৰক্ষণাবেক্ষণত ৰাষ্ট্ৰৰ ভূমিকা কি?

৫. মত প্ৰকাশৰ স্বাধীনতা কি? তোমাৰ মতে মত প্ৰকাশৰ স্বাধীনতাৰ যুক্তিসংগত বাধা কি কি? উদাহৰণ দিয়া।